# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date : 06**-06-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN
## HEADLINES

**::::::::::::::::::::::::::::::::::::::::::::**

১। ভাৰতে ২০২৫-২৬ বিত্তীয় বৰ্ষত ৭ দশমিক ৭ শতাংশ অৰ্থনৈতিক বৃদ্ধি লাভ কৰিবলৈ সমৰ্থ হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰিছে।

২। চলিত মাহ পৰ্যন্ত **খেত বচাও অভিযান**ত দেশৰ ৯ কোটি ৪২ লাখ কৃষকে নিজৰ নাম অন্তৰ্ভুক্ত কৰিছে।

৩। চি বি এছ ইয়ে দ্বাদশ শ্ৰেণীৰ উত্তৰ বহীৰ পৰীক্ষণ আৰু পুনৰ মূল্যায়নৰ বাবে আবেদন পত্ৰ জমা দিয়াৰ অন্তিম দিন কাইলৈ পৰ্যন্ত বৃদ্ধি কৰিছে।

৪। ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে ভাৰতক পঞ্চম প্ৰজন্মৰ ছুখয় এছ ইউ-57 যুদ্ধ বিমান আগবঢ়োৱাৰ লগতে ভাৰততে যৌথ উৎপাদনৰ প্ৰস্তাৱ দিছে।

*আৰু*

৫। ভাৰত ভ্ৰমণলৈ অহা আফগানিস্তান ক্ৰিকেট দলে আজি চণ্ডিগড়ত এখন টেষ্ট খেলত অৱতীৰ্ণ হ'ব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দৃঢ়তাৰে কয়, যে ভাৰতৰ অৰ্থনীতিৰ ভেটি ব্যতিক্ৰমভাৱে শক্তিশালী হৈ আছে। গোলকীয় অৰ্থনৈতিক সংকটৰ সময়তো ২০২৫-২৬ বিত্তীয় বৰ্ষত ভাৰতে সাত দশমিক সাত শতাংশ অৰ্থনৈতিক বৃদ্ধি লাভ কৰিবলৈ সমৰ্থ হৈছে। কালি সন্ধিয়া দমনত দুহেজাৰ ৯৭০ কোটি টকা ব্যয় সাপেক্ষ বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ শৃংখলা উদ্বোধন কৰাৰ পাছত সমবেত ৰাইজক সম্বোধন কৰি প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে কয়, যে ভাৰত বিশ্বৰ দ্ৰুত বিকাশশীল অৰ্থনীতিৰ দেশসমূহৰ অন্যতম। তেওঁ নাগৰিকসকলক নিশ্চয়তা দি কয়, যে দেশে সংস্কাৰমূলক পদক্ষেপসমূহৰ জৰিয়তে আৰু ব্যাপক আন্তঃগাঁথনিমূলক উন্নয়ন তথা দুখীয়া শ্ৰেণীৰ লোকৰ বাবে কল্যাণমূলক আঁচনিসমূহৰ জৰিয়তে দেশ অগ্ৰগতিৰ পথত আগবাঢ়িছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শক্তিখণ্ডত আত্মনিৰ্ভৰশীলতাত গুৰুত্ব প্ৰদান কৰি কয়, যে বিশ্বই সেউজ ভৱিষ্যতৰ দিশে আগবাঢ়িছে আৰু ভাৰতে অৰ্থনৈতিক বিকাশ আৰু পৰিৱেশ তন্ত্ৰ সংৰক্ষণৰ মাজত ভাৰসাম্য স্থাপন কৰি এই দিশত সক্ৰিয়ভাৱে আগবাঢ়িছে।

ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীয়ে চুৰাতত ১৮ হাজাৰ কোটি টকাতকৈও অধিক ব্যয় সাপেক্ষ কেইবাটাও আন্তঃগাঁথনিমূলক প্ৰকল্প মুকলি কৰে। এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে ভাৰতৰ মুঠ নৱীকৰণযোগ্য শক্তি সামৰ্থ ২৫০ গিগাৱাট বুলি উল্লেখ কৰি কয়, যে গুজৰাটে অকলেই ৫০ গিগাৱাটৰ অৰিহণা আগবঢ়াই আহিছে। তেওঁ

লগতে কয়, যে দেশে শক্তি খণ্ডত আত্মনির্ভৰশীল হোৱাৰ বাবে সৌৰ শক্তিৰ পৰা সেউজ হাইড্ৰ'জেন আৰু সেউজ এম'নিয়ালৈ গতি কৰাৰ ক্ষেত্ৰত এটা বৃহৎ ভূমিকা পালন কৰিছে।

চুৰাতৰ পৰিৱৰ্তিত যাত্ৰাৰ বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে মহানগৰখনক সেউজ মহানগৰলৈ ৰূপান্তৰ কৰাৰ ক্ষেত্ৰত জনসাধাৰণৰ প্ৰচেষ্টাৰ প্ৰশংসা কৰে। তেওঁ মহানগৰখনৰ জল অৰ্থনীতি আৰ্হি আৰু আৱৰ্জনাৰ পৰা স্বাস্থ্য পদক্ষেপৰ ভূয়সী প্ৰশংসা কৰি কয়, যে যোৱা ১২ বছৰত এয়া এক জন আন্দোলনলৈ ৰূপান্তৰিত হৈছে। তেওঁ কালি চুৰাটত উপস্থিত হৈ প্ৰথমে হাজিৰাত চলি থকা ঔদ্যোগিক আৰু আন্তঃগাঁথনিমূলক কাৰ্যকলাপৰ পৰিদৰ্শন আৰু পৰ্যালোচনা কৰে।

০০০০

কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি চলিত মাহ পৰ্যন্ত **খেত বচাও অভিযান**ত দেশৰ ৯ কোটি ৪২ লাখ কৃষকে নিজৰ নাম অন্তৰ্ভুক্ত কৰিছে। কৃষি ক্ষেত্ৰত নিয়ন্ত্ৰিত সাৰ প্ৰয়োগ বৰ্তমান ৰাষ্ট্ৰজোৰা গণ আন্দোলনলৈ ৰূপান্তৰিত হৈছে। কৃষি ক্ষেত্ৰত সাৰৰ নিয়ন্ত্ৰিত ব্যৱহাৰ, ভূমিৰ উৰ্বৰা শক্তি অটুত ৰখা আৰু বহনক্ষম কৃষি পদ্ধতি অনুশীলন কৰাৰ অৰ্থে কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে এই অভিযানৰ শুভাৰম্ভ কৰে।

কেন্দ্ৰীয় কৃষি মন্ত্ৰীয়ে প্ৰকাশ কৰা অনুসৰি এই অভিযানৰ অধীনত ১৭ হাজাৰ ৮০০ খন সজাগতা অনুষ্ঠান আয়োজন কৰা হৈছে আৰু ইয়াৰ জৰিয়তে দেশৰ ছয় কোটি ৯৮ লাখ কৃষকক সামৰি লোৱা হৈছে। ইয়াৰ উপৰি প্ৰায় তিনি হাজাৰ ৭০০ টা প্ৰশিক্ষণ অনুষ্ঠানৰো আয়োজন কৰি কৃষকসকলক সাৰৰ নিয়ন্ত্ৰিত ব্যৱহাৰ, ভূমি স্বাস্থ্য পৰিচালনা আৰু বিজ্ঞান সন্মত কৃষি পদ্ধতিৰ ক্ষেত্ৰত এক কোটি ৫৭ লাখ অংশগ্ৰহণকাৰীক প্ৰশিক্ষণ দিয়া হৈছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি ৮ হাজাৰ ৮৫০ টা ক্ষেত্ৰ প্ৰদৰ্শনৰ জৰিয়তে কৃষকসকলক জৈৱিক সাৰৰ ব্যৱহাৰ আৰু বিকল্প কৃষি উৎস সমূহৰ বিষয়ে অৱগত কৰোৱা হৈছে। এই প্ৰদৰ্শনৰ জৰিয়তে দীৰ্ঘদিনৰ বাবে ভূমিৰ উৎপাদনশীলতা ধৰি ৰখা আৰু কৃষি ক্ষেত্ৰত ৰাসায়নিক সাৰৰ ব্যাপক ব্যৱহাৰ ৰোধ কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছে।

০০০০

চি বি এছ ইয়ে দ্বাদশ শ্ৰেণীৰ উত্তৰ বহীত প্ৰাপ্ত নম্বৰ পৰীক্ষণ আৰু পুনৰ মূল্যায়নৰ বাবে আবেদন পত্ৰ জমা দিয়াৰ অন্তিম দিন কাইলৈ ধাৰ্য্য কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত কেন্দ্ৰীয় মাধ্যমিক শিক্ষা বোৰ্ডে কয়, যে শিক্ষাৰ্থীসকলে কাইলৈ মাজনিশা পৰ্যন্ত আবেদন পত্ৰ দাখিল কৰিব পাৰিব। শিক্ষাৰ্থীৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি চি বি এছ ই কৰ্তৃপক্ষই এই সিদ্ধান্ত লোৱা বুলি প্ৰকাশ কৰিছে। ইয়াৰ পূৰ্বে আবেদনপত্ৰ দাখিলৰ অন্তিম দিন ছয় জুন বুলি ঘোষণা কৰা হৈছিল।

০০০০

চলিত ২০২৬ চনত বৰ্তমানলৈকে মুঠ ১,০৭৬ গৰাকী ভাৰতীয় নাগৰিকক আমেৰিকাৰ পৰা ভাৰতলৈ ওভতাই পঠোৱা হৈছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে সদৰী কৰিছে। নতুন দিল্লীত সংবাদ মাধ্যমৰ এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে প্ৰকশ কৰে যে, ইয়াৰ পূৰ্বে ২০২৫ চনত ৩,৫৬৭ গৰাকী ভাৰতীয়ক আমেৰিকাৰ পৰা বহিষ্কাৰ কৰা হৈছিল। তেওঁ উল্লেখ কৰে যে, আইনী প্ৰব্ৰজন প্ৰক্ৰিয়া

সুৰক্ষিত ৰাখি অবৈধ প্ৰব্ৰজন ৰোধ কৰা পন্থা সন্দৰ্ভত নতুন দিল্লী আৰু ৱাশ্বিংটনে যৌথভাৱে কাম কৰি আছে।

ভাৰতত অবৈধভাৱে বসবাস কৰা বিদেশী নাগৰিকসকলৰ সন্দৰ্ভত মুখপাত্ৰগৰাকীয়ে কয় যে, ইয়াৰ বাবে দেশত নিৰ্দিষ্ট আইন আছে। বিশেষকৈ অবৈধ বাংলাদেশী নাগৰিকসকলক ওভতাই পঠোৱাৰ বাবে দুয়োখন দেশৰ মাজত দ্বিপাক্ষিক ব্যৱস্থা আছে। ভাৰতে এনে গোচৰসমূহ বাংলাদেশ চৰকাৰলৈ নাগৰিকত্ব পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে আৰু পৰীক্ষা প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পাছতহে ওভতাই পঠিওৱাৰ ব্যৱস্থা কৰা হয়। অৱশ্যে তেনে বহু অনুৰোধ বৰ্তমানো বাংলাদেশৰ তৰফৰ পৰা বিবেচনাধীন হৈ আছে বুলি তেওঁ জানিবলৈ দিয়ে।

ইপিনে, ভাৰত আৰু ৰাছিয়াৰ সম্পৰ্ক সন্দৰ্ভত মুখপাত্ৰগৰাকীয়ে কয় যে, দুয়োখন দেশৰ মাজত প্ৰতিৰক্ষা সম্পৰ্ক অতি শক্তিশালী আৰু ই বহু বছৰ ধৰি অব্যাহত আছে। ভাৰত আৰু আমেৰিকাৰ মাজৰ বাণিজ্য চুক্তি সন্দৰ্ভতো প্ৰতিক্ৰিয়া প্ৰকাশ কৰি তেওঁ কয় যে, আমেৰিকাৰ মুখ্য মধ্যস্থতাকাৰী দলটোৱে চলিত মাহৰ ১ তাৰিখৰ পৰা ৪ তাৰিখলৈ ভাৰত ভ্ৰমণ কৰিছে আৰু দুয়োপক্ষৰ মাজত হোৱা আলোচনা অত্যন্ত ইতিবাচক তথা গঠনমূলক আছিল।

০০০০

ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে ভাৰত আৰু ৰাছিয়াৰ মাজত থকা সুদৃঢ় কৌশলগত অংশীদাৰিত্বৰ কথা দোহাৰি নতুন দিল্লীক ৰাছিয়াৰ পঞ্চম প্ৰজন্মৰ অত্যাধুনিক যুদ্ধবিমান ছুখ'ই এছ.ইউ-৫৭ আগবঢ়োৱাৰ লগতে ভাৰততে ইয়াৰ যৌথ উৎপাদনৰ প্ৰস্তাৱ দিছে । ছেইণ্ট পিটাৰ্চবাৰ্গ অৰ্থনৈতিক মঞ্চৰ বৈঠকত বিশ্বৰ আগশাৰীৰ সংবাদ সংস্থাসমূহৰ মুৰব্বীসকলৰ সৈতে হোৱা এটা বাৰ্তালাপত ৰাষ্ট্ৰপতি পুটিনে কয় যে, এই যুদ্ধবিমান কাৰ্যসূচীত নতুন দিল্লীক অন্তৰ্ভুক্ত কৰিবলৈ মস্ক' এতিয়াও অত্যন্ত আগ্ৰহী। ইয়াৰ উপৰি সংহত আকাশী প্ৰতিৰক্ষা ব্যৱস্থাসহ অন্যান্য গুৰুত্বপূৰ্ণ প্ৰতিৰক্ষা ক্ষেত্ৰতো ভাৰতৰ সৈতে একেলগে কাম কৰিবলৈ ৰাছিয়া সাজু বুলি তেওঁ প্ৰকাশ কৰে।

উল্লেখযোগ যে, ভাৰতে সম্প্ৰতি থলুৱাভাৱে সুদৰ্শন চক্ৰ শীৰ্ষক আকাশী প্ৰতিৰক্ষা ব্যৱস্থা বিকশিত কৰি আছে আৰু ৰাছিয়াৰ পৰা ক্ৰয় কৰা S-400 মিছাইল প্ৰণালী ইয়াৰ এটা গুৰুত্বপূৰ্ণ অংশ হ'ব বুলি ধাৰণা কৰা হৈছে। ইয়াৰ পূৰ্বে আমেৰিকাৰ নিষেধাজ্ঞা জাৰি

কৰাৰ সকীয়নিৰ মাজতো ভাৰতে ৰাছিয়াৰ সৈতে পাঁচটা S-400 মিছাইল প্ৰণালী ক্ৰয় কৰাৰ বাবে ৫ বিলিয়ন ডলাৰৰ এখন চুক্তিত স্বাক্ষৰ কৰিছিল আৰু ইতিমধ্যে ইয়াৰে চাৰিটা স্কোৱাড্ৰন ভাৰতক হস্তান্তৰ কৰা হৈছে । ৰাষ্ট্ৰপতি পুটিনে লগতে - ভাৰতক তথ্য প্ৰযুক্তি খণ্ডৰ বিশ্বৰ অন্যতম আগশাৰীৰ দেশ হিচাপে অভিহিত কৰি বিশ্বৰ ছফ্টৱেৰ বজাৰত ভাৰতৰ উল্লেখনীয় অংশীদাৰিত্বৰ শলাগ লয়।

oooo

ভাৰতে পাকিস্তানৰ অবৈধ দখলত থকা গিলগিট-বাল্টিস্তান বিধানসভাৰ তথাকথিত সাধাৰণ নিৰ্বাচন অনুষ্ঠিত কৰাৰ পৰিকল্পনাক লৈ পাকিস্তান চৰকাৰৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছে। কাইলৈ অৰ্থাৎ ৭ জুনত এই নিৰ্বাচন অনুষ্ঠিত হোৱাৰ কথা।

ভাৰতে পুনৰবাৰ স্পষ্ট কৰিছে যে, ১৯৪৭ চনত জম্মু আৰু কাশ্মীৰৰ ভাৰতত অন্তৰভুক্তিৰ আইনী প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পাছৰে পৰা গিলগিট-বাল্টিস্তানসহ সমগ্ৰ জম্মু আৰু কাশ্মীৰ কেন্দ্ৰীয়শাসিত অঞ্চল - ভাৰতৰ এটি অবিচ্ছেদ্য অংগ।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিত কয় যে, পাকিস্তানৰ এনে প্ৰচেষ্টাই অবৈধভাৱে দখল কৰি ৰখা অঞ্চলসমূহত চলি থকা মানৱাধিকাৰ উলংঘন, ৰাজনৈতিক দমন বা স্বাধীনতা খৰ্ব কৰাৰ দৰে মূল বিষয়সমূহ লুকুৱাব নোৱাৰে। নতুন দিল্লীয়ে পাকিস্তানৰ এই কাৰ্যকলাপক সম্পূৰ্ণৰূপে নস্যাৎ কৰাৰ লগতে দৃঢ় স্থিতি প্ৰকাশ কৰিছে যে, পাকিস্তানে অবৈধভাৱে দখল কৰি থকা ভাৰতীয় ভূখণ্ডসমূহ অনতিবিলম্বে খালী কৰিব লাগিব।

oooo

ভাৰত আজি চণ্ডিগড়ৰ মোল্লানপুৰৰ মহাৰাজা যাদৱীন্দৰ সিং আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত আলহী দল আফগানিস্তানৰ বিৰুদ্ধে এখন টেষ্ট খেলত অৱতীৰ্ণ হ'ব। ২০১৮ চনৰ পাছৰ পৰা এয়া হ'ব ভাৰত আৰু আফগানিস্তানৰ মাজৰ প্ৰথমখন টেষ্ট মেচ। শুভমন গীলে ভাৰতীয় দলটোক নেতৃত্ব দিব। খেলখন পুৱা চাৰে ৯ বজাত অনুষ্ঠিত হ'ব।

উল্লেখযোগ্য যে, দীৰ্ঘদিনৰ অন্তত ভাৰত ভ্ৰমণ কৰা দলটোৱে একমাত্ৰ টেষ্ট খেলখনৰ উপৰি তিনিখনীয়া এদিনীয়া শৃংখলাতো ভাগ ল'ব। খেল কেইখন ক্ৰমে অহা ১৩, ১৭ আৰু ২০ জুনত অনুষ্ঠিত হ'ব।

oooo

ঃঃ সমাপ্ত ঃঃ